**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-08-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
-----------------------------

১।	কেন্দ্ৰীয় চৰকাৰে অসমৰ ৯ লাখ ৩৫ হাজাৰতকৈও অধিক লোকৰ বন্ধ হৈ থকা আধাৰ কাৰ্ড মুকলি কৰি দিয়াৰ সিদ্ধান্ত লোৱা বুলি ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

২।	কেন্দ্ৰ আৰু অসম চৰকাৰে অসম-বাংলাদেশ সীমান্ত সম্পূৰ্ণৰূপে ছীল কৰি দিয়াৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে বুলি ৰাজ্য চৰকাৰৰ অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী অতুল বৰাই আজি ৰাজ্যৰ বিধানসভাত জানিবলৈ দিয়ে।

৩।	ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই নিৰাপত্তা পৰিষদৰ সংস্কাৰ সম্পৰ্কীয় আলোচনাৰ বিষয়টো পৰৱৰ্তী অধিৱেশনলৈ স্থগিত ৰখাৰ সিদ্ধান্তক ভাৰতকে ধৰি জি-ফ'ৰ ৰাষ্ট্ৰগোষ্ঠীয়ে সমালোচনা কৰিছে।

৪।	চৰকাৰী বিত্তীয় অন্তৰ্ভুক্তি আঁচনি প্ৰধানমন্ত্ৰী জন ধন যোজনাই আজি ১০ বছৰ সম্পূৰ্ণ কৰিলে।

৫।	ভাৰতীয় আৰক্ষী সেৱাৰ জ্যেষ্ঠ বিষয়া বি শ্ৰীনিৱাসনক এন এছ জিৰ সঞ্চালক প্ৰধান হিচাপে নিযুক্তি দিয়া হৈছে।

**আৰু**

৬।	পেৰিছত আজি ২০২৪ চনৰ পেৰালিম্পিক প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে আৰম্ভ হ'ব।

0000000

এন আৰ চি প্ৰস্তুত কৰা সময়ত আৱেদন জনোৱা অসমৰ ৯ লাখ ৩৫ হাজাৰতকৈও অধিক লোকৰ বন্ধ হৈ থকা আধাৰ কাৰ্ড মুকলি কৰি দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীত আয়োজিত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে। সাংবাদিসকলক সম্বোধন কৰি তেওঁ কয় যে, এন আৰ চিৰ বায়'মেট্ৰিক নথি গ্ৰহণৰ সৈতে সম্পৰ্কীত কাৰিকৰী কাৰণত ২০১৯ চনৰ ফেব্ৰুৱাৰীৰ পৰা আগষ্ট মাহ পৰ্যন্ত  আধাৰ কাৰ্ড প্ৰস্তুতকৰণৰ প্ৰক্ৰিয়া ব্যাহত হৈ আছিল। বিষয়টোক লৈ ইতিপূৰ্বে কেন্দ্ৰীয় চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰাৰ উপৰি মুখ্যমন্ত্ৰীগৰাকীয়ে শেহতীয়াকৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰাৰ পাছত কেন্দ্ৰীয় চৰকাৰে সংশ্লিষ্ট সকলো দিশ বিবেচনা কৰি বন্ধ হৈ থকা আধাৰ কাৰ্ডসমূহ মোকলাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ ফলত সেই সময়খিনিত আৱেদন জনোৱা ৰাজ্যখনৰ ৯ লাখ ৩৫ হাজাৰৰো অধিক লোকে পৰৱৰ্তী ১৫ৰ পৰা ৩০ দিনৰ ভিতৰত তেওঁলোকৰ আধাৰ কাৰ্ডসমূহ লাভ কৰাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰী শৰ্মাই জানিবলৈ দিয়ে।

0000000

কেন্দ্ৰ আৰু অসম চৰকাৰে অসম-বাংলাদেশ সীমান্ত সম্পূৰ্ণৰূপে ছীল কৰি দিয়াৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। অসম বিধানসভাৰ অধিৱেশনৰ আজিৰ প্ৰশ্নোত্তৰকালত ৰাজ্য চৰকাৰৰ অসম চুক্তি

ৰূপায়ণ বিভাগৰ মন্ত্ৰী অতুল বৰাই সদনক এই কথা জানিবলৈ দিয়ে। সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰাৰ জৰিয়তে অনুপ্ৰৱেশ ৰোধ কৰিব পৰা হ'ব বুলি আশা প্ৰকাশ কৰি তেওঁ লগতে কয় যে, সীমান্ত অঞ্চলত সম্প্ৰতি কেৱল ৪ দশমিক ৩-৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এলেকাতহে কাঁইটীয়া তাঁৰৰ বেৰাৰ কাম সম্পূৰ্ণ কৰিবলৈ বাকী আছে। ব'ৰ্ডাৰ গাৰ্ডছ্ বাংলাদেশৰ ফালৰ পৰা এনে বৰাৰ সন্দৰ্ভত কেতবোৰ বিষয়ৰ অৱতাৰণাৰে আপত্তি দৰ্শোৱা হৈছিল বুলি সদনক জানিবলৈ দি মন্ত্ৰীগৰাকীয়ে কয় যে, এই সমস্যাটো ইতিমধ্যে সমাধান হৈছে।

০০০০০০০

উচ্চতম ন্যায়ালয়ে গঠন কৰি দিয়া ৰাষ্ট্ৰীয় টাস্ক ফ'ৰ্চে চিকিৎসা বৃত্তিৰ সৈতে জড়িত লোকসকলৰ সুৰক্ষাৰ অৰ্থে গ্ৰহণ কৰিবলগীয়া হ্ৰস্বম্যাদী ব্যৱস্থা সন্দৰ্ভত আলোচনা কৰাৰ বাবে ভিন ভিন ৰাজ্যৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানসকলৰ সৈতে এখন বৈঠকৰ আয়োজন কৰিব। ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে হ'বলগীয়া এই বৈঠকত কেন্দ্ৰীয় চৰকাৰৰ গৃহ আৰু স্বাস্থ্য দপ্তৰৰ সচিব দুগৰাকীয়ে যুটীয়াভাৱে অধ্যক্ষতা কৰিব।

কালি নতুন দিল্লীত অনুষ্ঠিত এই টাস্ক ফ'ৰ্চৰ প্ৰথমখন বৈঠকত এনে লোকসকলৰ সুৰক্ষা, নিৰাপত্তা আৰু কৰ্মক্ষেত্ৰ পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰা হয়। কেবিনেট সচিবগৰাকীৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত সংশ্লিষ্ট বিষয়সমূহক লৈ পুংখানুপুংখভাৱে আলোচনা কৰাৰ লগতে সদস্যসকলক বিভিন্ন দিশৰ পৰা পৰামৰ্শ আগবঢ়ায়। বিষয়টোৰ সৈতে জড়িত সমাজৰ ভিন ভিন ক্ষেত্ৰৰ বহুসংখ্যক লোকে প্ৰত্যক্ষভাৱে তেওঁলোকৰ সৈতে যোগাযোগ কৰা বুলি প্ৰকাশ কৰি সদস্যসকলে কয় যে, এই সন্দৰ্ভত তেওঁলোকে ইতিমধ্যে ৩০০ৰ পৰা ৪০০টা পৰ্যন্ত পৰামৰ্শ লাভ কৰিছে।

০০০০০০০

বিহাৰৰ ভগলপুৰ, মুংগেৰ, পশ্চিম চম্পৰণ আৰু কাটিহাৰকে ধৰি কেইবাখনো জিলাত উদ্ভৱ হোৱা বান পৰিস্থিতিৰ বাবে কেইবা হাজাৰো লোকক স্থানান্তৰ কৰিবলগীয়া হৈছে। ৰাজ্যখনৰ ঠায়ে ঠায়ে হৈ থকা মুষলধাৰ বৰষুণৰ ফলত গংগা, গণ্ডক, কৌশি, মহানন্দ আৰু আন বহুকেইখন নৈৰ পানী বিপদসীমাৰ ওপৰেৰে বৈ আছে। ৰাজ্যখনৰ উত্তৰ-পশ্চিম আৰু পূব অংশত হোৱা প্ৰচণ্ড বৰষুণৰ বাবে বতৰ বিজ্ঞান বিভাগে ভালেমান ঠাইৰ ক্ষেত্ৰত য়েল্ল' এলাৰ্ট জাৰি কৰিছে।

০০০০০০০

বিজেপিয়ে পশ্চিমবংগত আহ্বান জনোৱা আজিৰ ১২ ঘণ্টীয়া বন্ধৰ প্ৰতি ৰাজ্যখনত মিশ্ৰিত সঁহাৰি পৰিলক্ষিত হৈছে। ৰাজধানী মহানগৰী কলকাতাত যান-বাহনৰ চলাচল সেৰেঙা হোৱাৰ বিপৰীতে দোকান-পোহাৰ, বিদ্যালয় আৰু মহাবিদ্যালয়সমূহ খোলা আছে। প্ৰতিবাদকাৰীৰ বাধাৰ পৰিপ্ৰেক্ষিতত হুগলী অঞ্চলত ৰে'লসেৱা বিঘ্নিত হোৱাৰ লগতে নন্দিগ্ৰাম আৰু আলিপুৰদুৱাৰৰ মাজতো যান-বাহনৰ চলাচলৰ ক্ষেত্ৰত প্ৰভাৱ পৰিলক্ষিত হৈছে। আনহাতে মালদহ অঞ্চলত পথ অৱৰোধক কেন্দ্ৰ কৰি টি এম চি আৰু বিজেপি কৰ্মীৰ মাজত সংঘৰ্ষ হোৱা বুলি আকাশবাণীৰ সংবাদদাতাই বাতৰি দিছে। উল্লেখযোগ্য যে **নবান্ন অভিযান**ৰ বিৰুদ্ধে

প্ৰতিবাদৰ সময়ত ৰাজ্যখনৰ আৰক্ষীয়ে  অমানুষিক আচৰণ কৰাৰ অভিযোগ তুলি আজিৰ এই বন্ধৰ আহ্বান জনোৱা হৈছিল।

০০০০০০০

ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই নিৰাপত্তা পৰিষদৰ সংস্কাৰ সম্পৰ্কীয় আলোচনাৰ বিষয়টো পৰৱৰ্তী অধিৱেশনলৈ স্থগিত ৰখাৰ হকে ভোটদান কৰিছে। ৰাষ্ট্ৰসংঘত ভাৰতৰ উপ-স্থায়ী প্ৰতিনিধি য়োজনা পেটেলে এই সিদ্ধান্তক সমালোচনা কৰিছে। এই ক্ষেত্ৰত কোনোধৰণৰ অগ্ৰগতি নোহোৱাৰ বিষয়টো অব্যাহত থাকিলে আন্তঃচৰকাৰী আলাপ আলোচনাৰ প্ৰক্ৰিয়াই বৈধতা হেৰুওৱাৰ আশংকা আছে বুলি তেওঁ সকীয়াই দিয়ে।

উল্লেখযোগ্য যে ২০০৯ চনত আন্তঃচৰকাৰী আলাপ আলোচনাৰ প্ৰক্ৰিয়া আৰম্ভ হোৱা সময়ৰে পৰা এই ক্ষেত্ৰত আনুষ্ঠানিক আলোচনাৰ বিষয়টো ক্ৰমাগতভাৱে স্থগিত কৰি অহা হৈছে। ইটালী, পাকিস্তান আৰু কানাডাকে ধৰি ১২ খন দেশৰ এটা গোটে আনুষ্ঠানিক আলোচনা সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত বাধা আৰোপ কৰি অহাৰ বাবেই ৰাষ্ট্ৰসংঘই এই ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণৰ পৰা বিৰত থাকিবলগীয়া হৈছে।

আনহাতে ভাৰত, ব্ৰাজিল, জাৰ্মানী আৰু জাপানক লৈ গঠিত জি-ফ'ৰ ৰাষ্ট্ৰগোষ্ঠীক প্ৰতিনিধিত্ব কৰা ব্ৰাজিলৰ স্থায়ী প্ৰতিনিধি ছাৰ্জিঅ' ডেনিজে এইবুলি সকীয়াই দিয়ে যে, বিষয়টোক হ'বলগীয়া আলাপ আলোচনাৰ অগ্ৰগতিৰ ক্ষেত্ৰত অবিৰত বিফলতাই আন্তঃচৰকাৰী আলাপ আলোচনা প্ৰক্ৰিয়াৰ বিফলতা তথা সংস্কাৰ সাধনৰ বিষয়ত বাধা আৰোপৰ ইংগিত বহন কৰিব পাৰে।

০০০০০০০

চৰকাৰী বিত্তীয় অন্তৰ্ভুক্তি আঁচনি প্ৰধানমন্ত্ৰী জন ধন যোজনাই আজি ১০ বছৰ সম্পূৰ্ণ কৰিলে। এই আঁচনিৰ অধীনত ৫৩ কোটিতকৈও অধিক হিতাধিকাৰীয়ে বেংকত একাউণ্ট খুলিছিল।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলো হিতাধিকাৰীৰ লগতে যিসকলে এই আঁচনি সফল কৰি তোলাত অহিৰণা যোগাইছিল, তেওঁলোক সকলোকে ধন্যবাদ জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে, জন ধন যোজনাই আৰ্থিক অন্তৰ্ভুক্তি বৃদ্ধিৰ কৰাৰ লগতে কোটি কোটি লোকক বিশেষকৈ মহিলা, যুৱক আৰু প্ৰান্তীয় সম্প্ৰদায়ক মৰ্যাদা দিয়াৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিছে।

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কয় যে, এই আঁচনিয়ে দুখীয়া লোকসকলক মূলসুঁতিৰ অৰ্থনীতিৰ সৈতে অন্তৰ্ভুক্ত কৰাৰ লগতে প্ৰান্তীয় সম্প্ৰদায়ৰ লোকসকলৰ উন্নয়নত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। তেওঁ কয় যে, জন ধন- মোবাইল-আধাৰ ত্ৰিসূত্ৰই কল্যাণমূলক আঁচনিৰ সুবিধাসমূহ যোগ্য হিতাধিকাৰীলৈ দ্ৰুত, নিৰৱচ্ছিন্ন আৰু স্বচ্ছতাৰে লৈ যোৱাৰ লগতে ডিজিটেল লেনদেনৰ সুবিধাসমূহ উপভোগ কৰাটো ভূমিকা লৈছে। তেওঁ কয় যে, এই আঁচনিৰ অধীনত ৬৭ শতাংশ একাউণ্ট গ্ৰাম্য আৰু উপ নগৰ অঞ্চলত আছে  আৰু ৫৫ শতাংশ একাউণ্টৰ গৰাকী হৈছে মহিলা।

০০০০০০০

ভাৰতীয় আৰক্ষী সেৱাৰ জ্যেষ্ঠ বিষয়া বি শ্ৰীনিৱাসনক দেশৰ সন্ত্ৰাসবাদ প্ৰতিৰোধী বাহিনী এন এছ জিৰ সঞ্চালক প্ৰধান হিচাপে নিযুক্তি দিয়া হৈছে। বিহাৰ কেডাৰৰ ১৯৯২ চনৰ গোটৰ আই পি এছ বিষয়া শ্ৰীনিৱাসনে

সম্প্ৰতি ৰাজগিৰত অৱস্থিত বিহাৰ আৰক্ষী একাডেমীৰ সঞ্চালক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সংশ্লিষ্ট নিযুক্তি সমিতিয়ে শ্ৰী শ্ৰীনিৱাসনে যোগদান কৰাৰ দিনাৰে পৰা তেওঁৰ এই নিযুক্তি কাৰ্যকৰী হ'ব বুলি প্ৰকাশ কৰিছে।

০০০০০০০

সংসদৰ যুটীয়া সমিতিয়ে ৱাক্‌ফ সংশোধনী বিল ২০২৪ সন্দৰ্ভত জনসাধাৰণ, স্বেচ্ছাসেৱী সংস্থা, বিশেষজ্ঞ, অংশীদাৰী তথা প্ৰতিষ্ঠানসমূহৰ পৰা মতামত আৰু পৰামৰ্শ আহ্বান কৰিছে। এই সন্দৰ্ভত লোকভৱন সচিবালয়ে এখন প্ৰেছ বিজ্ঞপ্তি জাৰি কৰিছে। বিজ্ঞপ্তিখনত কোৱা হৈছে যে, যি সকলে সমিতিলৈ পৰামৰ্শ আগবঢ়াব বিচাৰে তেওঁলোকে হিন্দী অথবা ইংৰাজীত লিখা পৰামৰ্শসমূহৰ দুটাকৈ প্ৰতিলিপি যুটীয়া সচিব, লোকসভা সচিবালয়, কোঠা নম্বৰ ৪৪০, সংসদ ভৱন, নতুন দিল্লী-১১০০০১ লৈ অথবা JPCWAQF-LSS@SANSAD.NIC.IN‑লৈও পঠিয়াব পাৰে। পৰামৰ্শসমূহ বিজ্ঞপ্তি প্ৰকাশৰ পৰা ১৫ দিনৰ ভিতৰত পোৱাকৈ পঠিয়াব লাগিব।

০০০০০০০

ভাৰতীয় টেলিক'ম ৰেগুলেটৰী অথ'ৰিটীৰ অধ্যক্ষ অনিল কুমাৰ লাহোটিয়াই স্পাম মেছেজ আৰু ক'লৰ ক্ষেত্ৰত ব্যৱস্থা ল'বলৈ যুটীয়া প্ৰচেষ্টা গ্ৰহণত গুৰুত্ব আৰোপ কৰিছে। টেলিক'ম ৰেগুলেটৰী অথ'ৰিটীয়ে গ্ৰাহকক স্পাম মেছেজ আৰু প্ৰৱঞ্চনামূলক ক'লৰ ক্ষতিৰ পৰা সুৰক্ষা প্ৰদান কৰিবলৈ কালি নতুন দিল্লীত বৈঠক অনুষ্ঠিত কৰিছিল।

বৈঠকত অধ্যক্ষগৰাকীয়ে এছ এম এছযোগে প্ৰেৰণ কৰিব পৰা ইউ আৰ এল, এ পি কে, অ' টি টি লিংকসমূহৰ ক'ল নম্বৰৰ শ্বেত তালিকা ৰূপায়ণৰ বাবে আহ্বান জনায়। প্ৰৱঞ্চনা নিয়ন্ত্ৰণৰ বাবে টেলিকম সম্পদ ব্যৱহাৰ কৰি নিয়ন্ত্ৰকসকলৰ মাজত তথ্য বিনিময় বৃদ্ধি সম্পৰ্কেও বৈঠকত আলোচনা কৰা হয়।

০০০০০০০

পেৰিছত আজি ২০২৪ চনৰ পেৰালিম্পিক প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে আৰম্ভ হ'ব। এই প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠান ভাৰতীয় মান সময় অনুসৰি আজি নিশা চাৰে ১১ বজাত আৰম্ভ হ'ব। উদ্বোধনী অনুষ্ঠানত ২০২২ চনৰ এছিয়া পেৰা গেমছৰ ৰূপৰ পদক বিজয়ী শ্ব'টপুট তাৰকা ভাগ্যশ্ৰী যাদৱৰ লগতে জেভেলিন খেলুৱৈ তথা বিশ্ব অভিলেখ অধিকাৰী সুমিত অণ্টিলে ভাৰতৰ ধ্বজা বহন কৰিব। অহা ৮ ছেপ্তেম্বৰত এই প্ৰতিযোগিতাৰ সামৰণি পৰিব। উল্লেখযোগ্য যে ফ্ৰান্সে এইবেলি প্ৰথমবাৰৰ বাবে গ্ৰীষ্মকালীন পেৰালিম্পিকৰ আয়োজন কৰিছে। ইয়াৰ পূৰ্বে ১৯৯২ চনত দেশখনৰ শীতকালীন পেৰালিম্পিক অনুষ্ঠিত হৈছিল। এইবাৰৰ পেৰালিম্পিকত ভাৰতৰ ৮৪জনীয়া খেলুৱৈ দলে ভাগ ল'ব। এয়া হ'ব পেৰালিম্পিকত অংশ লোৱা ভাৰতৰ সৰ্ববৃহৎ দল। ভাৰতে ২২টা শিতানৰ ভিতৰত ১২টাত ভাগ ল'ব। এইবাৰ পেৰা চাইক্লিং, পেৰা জুডো আৰু পেৰা ৰোয়িঙত ভাৰতে প্ৰথমবাৰলৈ অংশগ্ৰহণ কৰিব।

০০০০০০০

সমাপ্ত